# সাৱধানীৰ মৰন নাই

## (কীটনাশক ব্যৱহাৰৰ সময়ত ল'ব লগা সাৱধানতা)

আধুনিক কৃষি কৌশল আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগে বৰ্তমান কৃষিখণ্ডত বৈপ্লৱিক পৰিৱৰ্ত্তন আনিবলৈ সক্ষম হৈছে। বৰ্দ্ধিত জনসংখ্যাই কৃষিভূমিৰ ওপৰত প্ৰবল চাপ প্ৰয়োগ কৰাৰ ফলত কৃষিখণ্ডত অধিক উৎপাদনক্ষম জাত আৰু বহুক্ষেত্ৰত বৰ্ণসংকৰ জাত (Hybrid)ৰ গুৰুত্ব বাঢ়ি আহিছে। অধিক উৎপাদনৰ লক্ষ্যেৰে কৃষক ৰাইজে বাচি লোৱা অধিক উৎপাদনক্ষম জাতবোৰ অথবা বৰ্ণসংকৰ জাতবোৰৰ প্ৰায়বোৰেই অনিষ্টকাৰী কীট-পতঙ্গ, বেমাৰ আজাৰৰ প্ৰতি অধিক সংবেদনশীল। সেয়েহে এনেবোৰ জাতৰ খেতি কৰি, ইবোৰৰ পৰা সঠিক উৎপাদন পাবলৈ হ'লে সময়মতে আৰু সঠিক মাত্ৰাত কীটনাশক দৰৱ প্ৰয়োগ কৰি শস্যডৰা কীট-পতঙ্গ আৰু বেমাৰ আজাৰৰ পৰা নিলগাই ৰাখিব লাগিব। সকলোবোৰ কীটনাশক দৰৱেই মানুহ তথা অন্যান্য জীৱজন্তুৰ বাবে বহুসময়ত বিপদজনক হ'ব পাৰে। সাধাৰণ অৰ্থত, সকলোবোৰ কীটনাশক দৰৱেই হ'ল কেতবোৰ বিষ। এই বিষবোৰে তিনিপ্ৰকাৰে মানুহৰ স্বাস্থ্যৰ ক্ষতি কৰিব পাৰে ঃ (ক) কাৰখানাত কীটনাশক দৰৱ প্ৰস্তুত কৰাৰ সময়ত, (খ) কীটনাশক ব্যৱহৃত শস্য খাদ্য হিচাবে গ্ৰহণ কৰাৰ ফলত আৰু (গ) কৃষিক্ষেত্ৰত অথবা জনস্বাস্থ্য আঁচনিত ব্যৱহাৰ কৰা সয়ত। কীটনাশক প্ৰয়োগ কৰাৰ সময়ত সামান্যতম অসাৱধান হ'লে ইয়াৰ বিষে শৰীৰত ক্ৰিয়া কৰাৰ সম্পূৰ্ণ সম্ভাৱনীয়তা থাকে। সেয়েহে দৰৱবোৰ ব্যৱহাৰ কৰোতে সাৱধানতা অৱলম্বন কৰাটো নিতান্তই প্ৰয়োজনীয়। ইয়াৰোপৰি, কীটনাশক দৰৱবোৰ সদায়েই কীট-পতঙ্গ, বেমাৰ আজাৰ নিয়ন্ত্ৰণৰ চূড়ান্ত ব্যৱস্থা হিচাবেহে গণ্য কৰিব লাগে আৰু প্ৰয়োগ কৰিবলগীয়া হলেও, নিৰ্দ্দিষ্ট অনুপাতত আৰু নিৰ্দ্দিষ্ট সময়ত ব্যৱহাৰ কৰিব লাগে। আমি সকলোৱে মনত ৰখা উচিত যে যধেমধে আৰু অসন্তুলিতভাৱে প্ৰয়োগ কৰা কীটনাশক দৰৱে সমগ্ৰ জীৱজগতৰ প্ৰতিয়েই ভাবুকিৰ সৃষ্টি কৰিব পাৰে। এডৰা শস্য অনিষ্টকাৰী কীট-পতঙ্গৰ উপদ্ৰৱৰ পৰা ৰক্ষা কৰি উৎপাদন বৃদ্ধি কৰাৰ স্বাৰ্থত শতকৰা এশভাগ কীট মাৰি পেলোৱাৰ কোনো প্ৰয়োজন নাই। অতিমাত্ৰাত আৰু যধেমধে কীটনাশক দৰৱ প্ৰয়োগৰ ফলত কৃষিৰ অনিষ্টকাৰী কীট-পতঙ্গৰ লগতে উপকাৰী কীট-পতঙ্গসমূহে ধ্বংস হয় আৰু ই প্ৰকৃতিৰ ভাৰসাম্যতা বিনষ্ট কৰে। ইয়াৰ লগে লগে অনিষ্টকাৰী কীট-পতঙ্গসমূহে কীটনাশকৰ প্ৰতি প্ৰতিৰোধক্ষমতা গঢ়ি তোলাৰ ফলত পৰৱৰ্তী সময়ত এইবোৰ কীট-পতঙ্গক নিয়ন্ত্ৰণ কৰাটো কঠিন হৈ পৰে। সেই হেতুকে কীটনাশক প্ৰয়োগ কৰাৰ আগতে বিশেষজ্ঞৰ সৈতে আলোচনা কৰি অনুমোদন পৰিমাণত, নিৰ্দ্দিষ্ট নিয়মত কীটনাশক ব্যৱহাৰ কৰাটো প্ৰথম আৰু প্ৰধান প্ৰয়োজনীয় কৰ্তব্য।

কীটনাশক দৰৱ প্ৰয়োগ কৰোতে প্ৰয়োগকৰ্তাই কেতবোৰ নীতি নিৰ্দেশনা পালন কৰা প্ৰয়োজন। এইবোৰ প্ৰধানকৈ-

- কীটনাশক দৰৱ কিনি আনি ঘৰত ৰাখিলে সদায়েই ঢাকোন নথকা পাত্ৰত থৈ ভালদৰে ঢাকোনখন মাৰি, বাহিৰত ঔষধৰ নাম লিখি থ'ব লাগে।
- কীটনাশক দৰৱবোৰ আছু তীয়াকৈ, নিৰাপদ স্থাপন ৰাখিব লাগে যাতে, ল'ৰা-ছোৱালী অথবা ঘৰচীয়া জীৱজন্তুৱে সেইবোৰ ঢুকি নাপায়।
- কোনো পৰিস্থিতিতেই কীটনাশক দৰৱ খোৱা খাদ্য বস্তুৰ লগত অথবা তাৰ ওচৰে পাজৰে ৰখা উচিত নহয়।
- কীটনাশক দৰৱৰ মোনা বা পাত্ৰ খোলোতে সদায় সাৱধান কাটিহে খুলিব লাগে। বলপ্ৰয়োগ কৰি অথবা দাঁতেৰে কামুৰি খোলাৰ চেষ্টা কেতিয়াও কৰিব নালাগে। অতি বিপদজনক দৰৱৰ ক্ষেত্ৰত হাজমোজা ব্যৱহাৰ কৰাটো বাঞ্ছনীয়।
- দৰৱ প্ৰয়োগ কৰিবলগীয়া সঁজুলিবোৰ, দৰৱ প্ৰয়োগ কৰাৰ আগেয়ে ভালদৰে পৰীক্ষা কৰি ল'ব লাগে। দোষযুক্ত সঁজুলি ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকিব লাগে।
- কীটনাশক দৰৱৰ নিৰ্দ্দিষ্ট গাঢ়তাৰ দ্ৰৱ প্ৰস্তুত কৰিবলৈ (কাৰণ শস্য আৰু কীট-পতঙ্গ, বেমাৰ ভেদে প্ৰয়োগ কৰিবলগীয়া দৰৱৰ গাঢ়তাও ভিন ভিন হয়। বহল মুখৰ পাত্ৰ ল'ব লাগে আৰু মিশ্ৰণ লৰাবলৈ দীঘল বাঁহৰ বা কাঁচৰ মাৰি ব্যৱহাৰ কৰিব লাগে, যাতে লৰাওতে মিশ্ৰণ ছিটিকি আহি গাত নপৰে।

- স্প্ৰেয়াৰত মিশ্ৰণ ভৰাই হাত-মুখ চাবোন পানীৰে ধুব লাগে।
- কীটনাশক দৰৰ ছটিয়াওতে বেলেগ এসাজ কাপোৰ পিন্ধিব লাগে আৰু মুখমণ্ডল কাপোৰেৰে ভালদৰে ঢাকি ল'ব লাগে যাতে দৰৰ আহি মুখমণ্ডলত বা দেহত ধুব লাগে।
- দৰৰ ছটিওৱাৰ প্ৰাক্‌মূহুৰ্ত্তত প্ৰস্তুত কৰ্তাৰ নিৰ্দেশাৱলী ভালদৰে পঢ়ি লোৱা বাঞ্ছনীয়।
- কীটনাশক দৰৰ হয় ৰাতিপুৱা নহয় আবেলি ছটিয়াব লাগে। প্ৰখৰ ৰ'দ বা বতাহ বেছিকৈ বলি থকা সময়ত দৰৰ ছটিওৱা অনুচিত।
- সদায় বতাহৰ গতিৰ দিশতহে দৰৰ ছটিয়াব লাগে।
- দৰৰ ছটিওৱা কাৰ্য কৰি থাকোতে একো খাব নালাগে বা চোবাই থাকিব নালাগে।
- স্প্ৰেয়াৰ বা দস্তাৰ আদি দৰৰ ছটিওৱা যন্ত্ৰৰ বিজুতি দৰৰ ছটিয়াই থকা অৱস্থাত হ'লে, নজল (nozzle) বা স্প্ৰিঙ্কলাৰ (sprinkler) আদি মুখেৰে ফুৰাই দিব নালাগে।
- নজল বা স্প্ৰিঙ্কলাৰ কেতিয়াও চকুৰ ওচৰলৈ আনিব নালাগে।
- দৰৰ ছটিওৱা শেষ হ'লে সঁজুলিবোৰ ভালদৰে পানীৰে ধুব লাগে। এনে যন্ত্ৰবোৰ ধোৱা পানী অথবা কীটনাশক দৰৰৰ বৈ যোৱা মিশ্ৰণ মুকলি ঠাইত ছটিয়াই দিব লাগে। এনেকুৱা মিশ্ৰণ কেতিয়াও পুখুৰী, বিল, কুঁৱা আদিত পৰিবলৈ দিব নালাগে।
- কীটনাশক ছটিওৱা শেষ হোৱাৰ পাছত চাবোনেৰে ভালদৰে গা-পা ধুব লাগে। লগে লগে দৰৰ ছটিৰাওতে পিন্ধা কাপোৰবোৰ ধুব লাগে।
- কীটনাশক দৰৰৰ বাকচ বা বটল কেতিয়াও খাদ্যবস্তু অথবা অন্যবস্তু খোৱাৰ বাবে ব্যৱহাৰ কৰিব নালাগে। খালী বাকচবোৰ নষ্ট কৰি গাত খান্দি পুতি পেলোৱা উচিত। এই পাত্ৰবোৰ নৈ, পুখুৰী, কুঁৱা আদিত পেলোৱা অনুচিত।

**কীটনাশক বিষাক্তগুণৰ চিনাক্তকৰণ ঃ**

কীটনাশকৰ বটল অথবা বাকচত বিভিন্ন ৰঙৰ তিনিকুনীয়া এটা চিহ্ন অঁকা থাকে। এই চিহ্নৰ ৰঙৰ সহায়তেই এই দৰৰসমূহ বিষাক্ততাৰ বিষয়ে গম পাব পাৰি। কি ৰঙে কি বুজায় তাক তলত উল্লেখ কৰা হ'ল -

| | | |
|---|---|---|
| ৰঙা ৰং | - | অতিশয় বিষাক্ত (Extreemly toxic) |
| হালধীয়া ৰং | - | অতি বিষাক্ত (Highly toxic) |
| নীলা ৰং | - | মধ্যমভাৱে বিষাক্ত (Moderately toxic) |
| সেউজীয়া ৰং | - | বিষাক্ত (toxic) |

অনুমোদিত কীটনাশক, নিৰ্দ্দিষ্ট অনুপাতত আৰু সময়ত সাৱধানে প্ৰয়োগ কৰি নিজকে লগতে পৰিবেশকো ৰক্ষা কৰক।

*****

**(উৎস ঃ কৃষি বিভাগ কেন্দ্ৰ, আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ)**